# জাতীয় অধিকাৰ সম্পৰ্কে

*যতীন্দ্ৰ কুমাৰ বৰগোহাঞি*

জাতীয় অধিকাৰ সম্পৰ্কে অসমৰ জনসাধাৰণ সচেতন হোৱাৰ কাৰণসমূহ সহজভাষাত আমাৰ জাতীয় অৰ্থনীতি, সমাজ আৰু সংস্কৃতিৰ ওপৰত ক্ৰমাগত ব্যাপক হাৰত পৰা বাহ্যিক হেঁচাৰ লগত নিহিতহৈ আছে।

জাতীয় অৰ্থনৈতিক উপাদানসমূহ ক্ৰমাগত ব্যাপক হাৰত বিদেশী আৰু বহিৰাগতৰ হাতলৈ গৈছে। ভূমি, শিল্প আৰু ব্যৱসায় ক্ৰমে কেন্দ্ৰভূত হৈছে বিদেশী আৰু বহিৰাগতৰ হাতত। ফলত অসমৰ সকলো শ্ৰেণীৰ মানুহৰ ওপৰত আৰ্থিক নিপীড়নৰ হেঁচা পৰিছে। অসমৰ কৃষক, শ্ৰমিক, শিল্পপতি, ব্যৱসায়ী সকলোৱেই নিজৰ বাসভূমিতে নিজে বঞ্চিত হৈ পৰিছে। ভূমিৰ ওপৰত ব্যাপক হাৰত বিদেশী আৰু বহিৰাগতৰ শক্তিশালী আগ্ৰাস চলাত অসমৰ খেতিয়কসকলৰ মাজতো জাতীয় চেতনা বাঢ়িছে। ব্যৱসায় ক্ষেত্ৰত সেইদৰে থলুৱাসকলৰ বিকাশৰ সা-সুবিধা ক্ৰমে নাইকিয়া হৈ পৰিছে আৰু প্ৰতিযোগিতাৰ ফলত নিৰাপত্তাহীন হৈ পৰিছে। শিল্পৰ ক্ষেত্ৰতো একেই অৱস্থা। অসমৰ জাতীয় অৰ্থনীতিয়ে উপনিবেশৰ চৰিত্ৰ বহন কৰিছে বাবেই কৃষক বঞ্চিত হৈছে কৃষিজাত সামগ্ৰীৰ প্ৰাপ্য দৰৰপৰা, বিতাড়িত হৈছে ভূমিৰপৰা; ব্যৱসায়ী আৰু শিল্পপতি বিতাড়িত হৈছে উৎপাদন ক্ষেত্ৰ আৰু বজাৰৰপৰা। উৎপাদিত সামগ্ৰীসমূহ মূলতঃ উপনিবেশিক নিয়ন্ত্ৰণত থকা বাবে বজাৰ দৰো বাঢ়িছে তীব্ৰহাৰত।

ওপৰোক্ত জাতীয় অৰ্থনৈতিক দুৰৱস্থাৰ লগতে বিদেশীৰ অবাধ প্ৰব্ৰজনে নিবনুৱা সমস্যা অতি ভয়াবহ কৰি তুলিছে। বিদেশী আৰু বহিৰাগতৰ আৰ্থিক নিয়ন্ত্ৰণৰ ফলত নিয়োগৰ ক্ষেত্ৰত থলুৱা লোক পদে পদে বঞ্চিত হৈছে।

জাতীয় অৰ্থনীতিৰ এই দুৰৱস্থা অতি প্ৰকট ভাবে ধৰাপৰে যদিহে আমি আমাৰ জীৱন ধাৰণৰ মানদণ্ডৰ তথা আন আৰ্থিক মাপ কাঠিৰ কথা আলোচনা কৰো। জনমূৰি আয়ৰ ক্ষেত্ৰত অসমৰ স্থান ১৯৪৮ চনত ভাৰতৰ ভিতৰত দ্বিতীয় আছিল, ১৯৭৫ চনৰ পিচত হ'ল ভাৰতৰ ভিতৰত দ্বাদশ। জনমূৰি বিজুলী শক্তিৰ ব্যৱহাৰ, জনমূৰি সাৰ ব্যৱহাৰ, জনমূৰি তীখাৰ ব্যৱহাৰ অসমত ভাৰতৰ ভিতৰত নিম্নতম। অসমৰ গাওঁ অঞ্চলৰ শতকৰা ৯০ ভাগ মানুহৰে জীৱন ধাৰণৰ মানদণ্ড অতি নিম্নখাপৰ। ইয়াৰ বিপৰীতে অসমে উৎপাদন কৰে ভাৰতৰ প্ৰায় দুই তৃতীয়াংশ চাহ, দুই চতুৰ্থাংশ পেট্ৰলিয়াম, এক চতুৰ্থাংশ মৰাপাট, দুই চতুৰ্থাংশ প্লাইউদ আৰু কাঠ। এই বিচাৰত অসম হ'ব লাগিছিল ভাৰতৰ ভিতৰত উন্নত কিন্তু ঔপনিবেশিক আৰ্থিক শোষণৰ ফলত ইয়াৰ সকলো সম্পদ ব্যাপকভাবে বাহিৰলৈ যায়; সেয়ে ভাৰতৰ ভিতৰত চহকী হওক চাৰি ভাৰতৰ ভিতৰত দৰিদ্ৰতহে অসম পৰিণত হৈছে।

জাতীয় অৰ্থনীতিৰ দুৰৱস্থাৰ লগে লগে বিদেশী আৰু বহিৰাগতৰ অবাধ আৰু ব্যাপক প্ৰব্ৰজনে অসমৰ ৰাইজৰ সামাজিক চৰিত্ৰও সলনি কৰি দিয়াৰ ভয়ে দেখা দিছে।

ভাষা-সংস্কৃতিৰ ওপৰতো ক্ৰমাগত অধিকহাৰত পৰা হেঁচাৰ ফলত থলুৱা সংস্কৃতি বিপন্ন হৈছে। ভাষিকভাবে অসমৰ ৰাইজ বিলুপ্ত হোৱাৰ ভয়ে দেখা দিছে।

ৰাজনৈতিক ক্ষেত্ৰতো জাতীয় স্বাৰ্থৰ বিপৰীতে এক পৰজীৱী ৰাজনৈতিক ব্যৱস্থা গঢ় লোৱা দেখা গৈছে। সংখ্যাৰ শক্তিৰে থলুৱা স্বাৰ্থ ক্ষতিগ্ৰস্ত কৰিব পৰা ৰাজনীতিয়ে ইয়াত গা কৰিছে।

এই অৱস্থাত অসমৰ ৰাইজৰ জাতীয় আন্দোলনক যিসকলে প্ৰতিক্ৰিয়াশীল আৰু সংকীৰ্ণ বুলি অভিহিত কৰিছে তেওঁলোক হয় ৰাজনৈতিক ভাবে বিদেশীৰ চৰ নহলেবা মুৰ্খ। জাতীয় অধিকাৰ প্ৰতিষ্ঠাৰ বাবে অসমৰ সকলো শ্ৰেণীৰ জনসাধাৰণে তীব্ৰ আন্দোলন গঢ়ি তোলাৰ যোগেদি এনে অপপ্ৰচাৰৰ উত্তৰ দিয়া উচিত তথা বৰ্তমানৰ অন্যায়, শোষণ ভিত্তিক ব্যৱস্থাৰ অৱসান ঘটাই অসমৰ জাতীয় বিকাশৰ ভিত্তি গঢ়ি তোলা উচিত।

OKDISCD